# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৫০/২০২৩**

**বঙাইগাঁও জিলাৰ বিকাশৰ দিশত নতুন মাত্ৰা সংযোজনৰে ৫৫৫কোটি টকাৰ বিভিন্ন আন্তঃগাঁথনিমূলক প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস কৰিলে মুখ্যমন্ত্ৰীয়ে**

## বঙাইগাঁও মহাবিদ্যালয়ক বিশ্ববিদ্যালয় হিচাপে গঢ়ি তোলা হ'ব ঃ মুখ্যমন্ত্ৰী

## বঙাইগাঁও জিলালৈ বিকাশৰ গংগা নামি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৭ জুলাই ঃ** বঙাইগাঁও জিলাৰ বিকাশৰ দিশত নতুন মাত্ৰা সংযোজনৰে বিকাশ উৎসৱ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৫৫৫কোটি টকাৰ বিভিন্ন আন্তঃগাঁথনিমূলক প্ৰকল্পৰ শুভ উদ্বোধন আৰু শিলান্যাস কৰে।

মুখ্যমন্ত্ৰীয়ে ৬৯.৩৮ কোটি টকা ব্যয় সাপেক্ষে বৰঘোলা-কীৰ্তনপাৰা পথত আই নদীৰ ওপৰত পকী দলং আৰু ওখ আলিৰ বেষ্টনীৰে সংযোগী পথ, ১৫.৬৯ কোটি টকা ব্যয় সাপেক্ষে ইক' পাৰ্ক আৰু সংলগ্ন জলাশয়ৰ উন্নয়ন (পৰ্যায়-১), ১৪ লাখ টকা ব্যয় সাপেক্ষে জিলা পুথিভঁৰাল চৌহদত বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্ত্তি, ৮ লাখ টকা ব্যয় সাপেক্ষে জিলা পুথিভঁৰাল চৌহদত মহাবীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্ত্তি, ১৭.৯৪ কোটি টকা ব্যয় সাপেক্ষে নৱনিৰ্মিত আলোচনা ভৱন তথা সন্মিলন কেন্দ্ৰ, ২৫ লাখ টকা ব্যয় সাপেক্ষে ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ স্থায়ী ভেটি আৰু স্তম্ভ আৰু ৫০ লাখ টকা ব্যয় সাপেক্ষে থীম পাৰ্কৰ শুভ উদ্বোধন কৰে। আনহাতে অসম মালাৰ অধীনত ৪১৭.১৩ কোটি টকা ব্যয় সাপেক্ষে যোগীঘোপাৰ পৰা শ্বহীদ বেদী পথৰ উন্নয়ন আৰু উন্নীতকৰণ, ৬.২০ কোটি টকা ব্যয় সাপেক্ষে সৃজনগ্ৰামত শ্ৰীৰঘুনাথ মন্দিৰৰ আন্তঃগাঁথনি উন্নয়ন, ৯.০২ কোটি টকা ব্যয় সাপেক্ষে তালগুৰি-বাসুগাঁও পথ আৰু ধৰ্মপুৰ-বৰঘোলা পথৰ উন্নয়ন, ৫.৪০ কোটি টকা ব্যয় সাপেক্ষে নোৱাগাঁৱৰ পৰা দক্ষিণ নম্বৰপাৰা, পূব জাপিয়া হৈ ৰঙাপানী গাঁও পথৰ নিৰ্মাণ, ১.১১ কোটি টকা ব্যয় সাপেক্ষে আঠুগাঁৱৰ পৰা ডাংতল হৈ চুঙাপোতা পথৰ উন্নীতকৰণ আৰু ১১.৯৯ কোটি টকা ব্যয় সাপেক্ষে বৰ্ষণগাঁও মিনি ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰীয়ে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ প্ৰতিখন জিলাৰে সম উন্নয়নৰে দেশৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসমৰ স্থান সুনিশ্চিত কৰিবলৈ যোৱা দুটা বছৰে অসম চৰকাৰে দিনে-নিশাই প্ৰচেষ্টা চলাই আহিছে। এই সংকল্প সন্মুখত ৰাখি অসমৰ বিভিন্ন জিলাত বিকাশৰ বাবে কাৰ্যসূচী ৰূপায়িত কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে প্ৰায় ১৫ হাজাৰ কোটি টকাকৈ অধিক পুঁজিৰে এই কাৰ্যসূচী আৰম্ভ কৰা হৈছিল। তেওঁ কয় যে বঙাইগাঁও জিলাতো ৬৯৩কোটি টকা ব্যয় সাপেক্ষে বিকাশৰ কাৰ্যসূচী লোৱা হৈছিল। সেই সময়ছোৱাত আধাৰশিলা স্থাপন কৰা বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ৰ কাম অব্যাহত আছে আৰু অহা ওঠৰ মাহৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰি ৰাইজৰ সেৱাত উৎসৰ্গিত কৰিব পৰা যাব বুলিও তেওঁ আশা প্ৰকাশ কৰে। অভিযান্ত্ৰিক মহাবিদ্যালয়, উপায়ুক্তৰ কাৰ্যালয়,

বঙাইগাওঁ পলিটেকনিক, আৰক্ষী প্ৰশিক্ষণ প্ৰতিষ্ঠান আদি সমূহেও নিৰ্দিষ্ট গতি লাভ কৰিছে বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে বঙাইগাওঁ জিলাৰ ঐতিহাসিক, সাংস্কৃতিক আদি সকলো দিশতে এক গৌৰবোজ্জ্বল ইতিহাস, ভৌগোলিক বৈশিষ্ট্য আছে। সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱনশৈলীয়ে জিলাখনক বিশেষ মাত্ৰা প্ৰদান কৰিছে। প্ৰাকৃতিকভাৱে চহকী জিলাখনৰ পৰ্যটন খণ্ডৰ বিকাশৰ যথেষ্ট সম্ভাৱনীয়তা লুকাই আছে বুলিও তেওঁ কয়। জিলাখনৰ বিকাশৰ গতি খৰতকীয়া কৰাৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ কাম কৰি আহিছে বুলিও তেওঁ উল্লেখ কৰে। থিম পাৰ্কৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে পুনৰ এক কোটি টকা আগবঢ়াব বুলিও তেওঁ ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা বছৰ লাচিত বৰফুকন ৪০০ সংখ্যক জন্ম জয়ন্তী গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত পালন কৰা হৈছিল। ৰাজ্য চৰকাৰে যোৱা বছৰ বঙাইগাওঁত কেবিনেট বৈঠক অনুষ্ঠিত কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বঙাইগাঁৱত নতুনকৈ স্থাপন কৰা সন্মিলন কেন্দ্ৰৰ জৰিয়তে সভা-সমিতি অনুষ্ঠিত কৰাৰ দিশত সহায়ক হৈ উঠিব। তেওঁ কয় যে বঙাইগাঁৱত এক শক্তিশালী ক্ৰীড়াৰ পৰিৱেশ গঢ়াৰ বাবে ৰাজ্য চৰকাৰে মিনি ষ্টডিয়ামক জিলা ষ্টেডিয়ামলৈ ৰূপান্তৰ সাধনৰ বাবে অতিৰিক্তভাৱে ৪০ কোটি টকা আগবঢ়াব।

মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সহযোগত যোগীঘোপাত মাল্টি মডেল লজিষ্টিক পাৰ্ক নিৰ্মাণৰ কাম অব্যাহত আছে। বাণিজ্যিক দৃষ্টিভংগীৰ প্ৰতি লক্ষ্য ৰাখি যোগীঘোপা আৰু বঙাইগাঁৱৰ মাজত বিকল্প পথৰ আজি আধাৰশিলা স্থাপন কৰা হৈছে। এই পথটোৱে অৰ্থনৈতিক গতিক অধিক খৰস্ৰোতা কৰি তুলিব বুলিও তেওঁ কয়। ১৬ চেপ্টেম্বৰৰ পৰা অসম বিধান সভাৰ অধিৱেশন আৰম্ভ হ'ব বলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই অধিৱেশনতে বঙাইগাঁও মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীত কৰা হ'ব। আজি বঙাইগাঁও জিলালৈ বিকাশৰ যি গংগা নামি আহিছে, সেয়া তিনি বছৰ আগতে কোনেও কল্পনা কৰিব পৰা নাছিল বুলি তেওঁ কয়। বঙাইগাঁৱক লৈ নতুন অমৃত মন্থন আৰম্ভ হৈছে। মুখ্যমন্ত্ৰীয়ে কয় অসমৰ অৰ্থনৈতিক উন্নয়নত বঙাইগাওঁ জিলাই বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। অহা চেপ্টেম্বৰ মাহত অসমৰ উন্নয়নক নতুন পৰ্যায়লৈ লৈ যোৱা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আঁচনিসমূহৰ সুবিধা জনসাধাৰণে লাভ কৰিছে নে নাই সেই কথাৰ বুজ ল'বলৈ মুখ্যমন্ত্ৰী, মন্ত্ৰী, সাংসদ, বিধায়ক আৰু চৰকাৰী বিষয়াই গাঁৱৰ ৰাইজৰ মাজত থাকিব।

আজিৰ এই অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিধায়ক ফণীভূষণ চৌধুৰী, অজয় কুমাৰ ৰায়, প্ৰদীপ সৰকাৰ, আব্দুল বাতিন খন্দকাৰ, কমতাপুৰ স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য গকুল বৰ্মন, বিজেপিৰ জিলা সভাপতি হিমানী অধিকাৰী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে বঙাইগাওঁ জিলাৰ অভয়াপুৰীস্থিত শ্ৰীশ্ৰী গণেশ মন্দিৰ, শ্ৰীশ্ৰী শিৱ মন্দিৰ আৰু শ্ৰীশ্ৰী জগন্নাথ মহাপ্ৰভুৰ মন্দিৰত সেৱা আগবঢ়াই ৰাইজৰ কুশল-মংগল কামনা কৰে।

**হেঃশঃ**
**২৭/০৭/২০২৩**